SILPA KUTIR

শিল্প কুটিৰ

যদুমণিৰ ক্রাফ্ট ষ্টুডিঅ'

ইনষ্টলৰ নির্দেশিকা

সংস্কৰণ ১.১ · অক্টোবৰ ২০২৬



মোৰ গুৰু, মণিপুৰৰ সংগীত নাটক অকাডেমী বঁটাপ্রাপ্ত কাৰুশিল্পী নিংগোম্বম যদুমণি সিঙৰ চৰণত শ্রদ্ধাৰে উৎসর্গা কৰিলোঁ।

অসম, ভাৰতৰ AANK_A Creative Line-ৰ হৈ ড° মৃণাল জ্যোতি গোস্বামীৰ দ্বাৰা সৃষ্ট
© ২০২৬ ড° মৃণাল জ্যোতি গোস্বামী আৰু AANK_A Creative Line

সূচীপত্র

১ শিল্প কুটিৰ চলোৱাৰ দুটা উপায় 2

২ কি কি লাগিব 2

৩ কম্পিউটাৰত একক ফাইলটো ইনষ্টল 3

৪ ৱেব এপটো ইনষ্টল 3

৫ প্ৰথমবাৰ খোলোঁতে 4

৬ বেকআপ, স্থানান্তৰ আৰু আপডেট 5

৭ কিবা কাম নকৰিলে 6

এই হাতপুথিৰ বিষয়ে

ইণ্টাৰনেট নোহোৱাকৈ চলিবলৈ কম্পিউটাৰ, ফোন বা টেবলেটত শিল্প কুটিৰ ১.১ কেনেকৈ ইনষ্টল কৰিব, এই নির্দেশিকাত তাৰ বর্ণনা আছে। এপটো ব্যৱহাৰৰ নিয়মৰ বাবে **ব্যৱহাৰকাৰীৰ হাতপুথি** চাওক।

১ শিল্প কুটিৰ চলোৱাৰ দুটা উপায়

শিল্প কুটিৰ ৱেব ব্ৰাউজাৰৰ ভিতৰত চলে আৰু ইণ্টাৰনেট নোহোৱাকৈ সম্পূৰ্ণ কাম কৰে। ই দুটা ৰূপত পোৱা যায়। দুয়োটাই একেটা এপ, সুবিধাও একে।

একক ফাইল `SILPA-KUTIR-1.1.html`	গোটেই এপটো একেটা ফাইলতে থাকে। কম্পিউটাৰলৈ কপি কৰি খুলিলেই হয়। Windows, macOS, Linux আৰু ChromeOS কম্পিউটাৰৰ বাবে, আৰু পেন ড্ৰাইভত এপটো লগত লৈ ফুৰিবলৈ এইটো আটাইতকৈ সুবিধাজনক।
ইনষ্টল কৰিব পৰা ৱেব এপ `aank.org/apps/silpa-kutir/`	ৱেবত একেটা এপ। এবাৰ খুলিলেই ই নিজা চিহ্নসহ এপৰ দৰে ইনষ্টল হয় আৰু তাৰ পিছত ইণ্টাৰনেট নোহোৱাকৈ খোল খায়। Android ফোন আৰু টেবলেট, iPhone আৰু iPad-ৰ বাবে এইটো আটাইতকৈ সুবিধাজনক। দল বা প্ৰতিষ্ঠানে নিজৰ ৱেবছাইটতো ৱেব এপটো ৰাখিব পাৰে।

> ফোন আৰু টেবলেটৰ ব্ৰাউজাৰে ডিভাইচৰ ষ্ট'ৰেজৰ পৰা খোলা এপ ফাইল ভালদৰে চলাব নোৱাৰে। ফোন বা টেবলেটত ইনষ্টল কৰিব পৰা ৱেব এপটো ব্যৱহাৰ কৰক।

২ কি কি লাগিব

ব্ৰাউজাৰ	Chrome, Edge, Firefox, Safari বা Samsung Internet-ৰ শেহতীয়া সংস্কৰণ। ব্ৰাউজাৰটো সদায় আপডেট কৰি ৰাখক।
3D দৃশ্য	WebGL, যিটো আধুনিক ব্ৰাউজাৰত সাধাৰণতে অন থাকে। ইয়াৰ অবিহনে 3D দৃশ্যৰ বাহিৰে আন সকলো অংশ চলে।
পৰ্দা	ডিজাইনৰ কামৰ বাবে কম্পিউটাৰ বা টেবলেটৰ পৰ্দা। তালিকা, সময়সূচী, ফটো আৰু সৰু-সুৰা সলনিৰ বাবে ফোনেই যথেষ্ট।
মেম'ৰী	3D দৃশ্য আৰু ডাঙৰ অংকনৰ বাবে ৪ GB বা তাতকৈ বেছি RAM হ'লে সুবিধা হয়।
ষ্ট'ৰেজ	এপটোৰ বাবে প্ৰায় ২ MB, তাৰ লগতে আপোনাৰ প্ৰযোজনাৰ বাবে ঠাই। আটাইতকৈ বেছি ঠাই ফটোৱে লয়।
ইণ্টাৰনেট	এপটো ব্যৱহাৰ কৰিবলৈ নালাগে। ৱেব এপটো প্ৰথমবাৰ খুলিবলৈ এবাৰ ইণ্টাৰনেট লাগে।

৩ কম্পিউটাৰত একক ফাইলটো ইনষ্টল

WINDOWS

১. `SILPA-KUTIR-1.1.html` ফাইলটো এনে এটা ফ'ল্ডাৰত কপি কৰক যিটো একে ঠাইতে থাকিব, যেনে **Documents\SILPA KUTIR**।

২. ফাইলটোত ৰাইট-ক্লিক কৰি **Open with** বাছক আৰু Chrome বা Edge লওক। সদায় সেই ব্ৰাউজাৰতে খুলিবলৈ **Choose another app** বাছি ব্ৰাউজাৰটো লওক আৰু **Always** টিপক।

৩. ডেস্কটপত চৰ্টকাট বনাবলৈ ফাইলটোত ৰাইট-ক্লিক কৰি **Send to › Desktop (create shortcut)** বাছক। Windows 11-ত প্ৰথমে **Show more options** বাছক।

MACOS

১. ফাইলটো **Documents/SILPA KUTIR**ৰ দৰে এটা ফ'ল্ডাৰত কপি কৰক।

২. Control ধৰি ফাইলটোত ক্লিক কৰক, **Open With** বাছক আৰু Safari, Chrome বা Edge লওক।

৩. হাতৰ কাষত ৰাখিবলৈ ফাইলটো Dock-ৰ সোঁফাললৈ টানি নিয়ক, নাইবা **File › Make Alias**ৰে এটা এলিয়াছ বনাই ডেস্কটপত ৰাখক।

LINUX আৰু CHROMEOS

১. Linux: ফাইলটো নিজৰ হোম ফ'ল্ডাৰত কপি কৰক আৰু ফাইল মেনেজাৰৰ **Open With** মেনুৰ পৰা Chrome, Chromium বা Firefox-ত খোলক।

২. ChromeOS: ফাইলটো **My files**-ত কপি কৰক আৰু Chrome-ত খুলিবলৈ দুবাৰ ক্লিক কৰক।

> প্ৰতিবাৰ একে ঠাইৰ পৰাই ফাইলটো খোলক। কিছুমান ব্ৰাউজাৰে ফাইলৰ প্ৰতিটো অৱস্থানৰ বাবে সংৰক্ষিত কাম বেলেগে বেলেগে ৰাখে। ফাইলটো আঁতৰোৱা বা সলনি কৰাৰ আগতে **'সকলো প্ৰযোজনাৰ প্ৰতিলিপি সংৰক্ষণ কৰক'**ৰে নিজৰ কামৰ প্ৰতিলিপি ৰাখক (ষষ্ঠ অংশ চাওক)।

৪ ৱেব এপটো ইনষ্টল

প্ৰথম পদক্ষেপ: ৱেব এপটো খোলা

ব্ৰাউজাৰত **https://aank.org/apps/silpa-kutir/** খোলক আৰু **Open SILPA KUTIR** টিপক। একেখন পৃষ্ঠাতে একক ফাইল, নমুনা প্ৰযোজনা আৰু এই নিৰ্দেশিকাবোৰো আছে।

নিজা প্ৰতিলিপি বিচৰা দল বা প্ৰতিষ্ঠানে শিল্প কুটিৰৰ ৱেব ফ'ল্ডাৰটো **https**-ৰে পৃষ্ঠা দেখুওৱা যিকোনো ৱেবছাইটত ৰাখি তাৰ ঠিকনা খুলিব পাৰে, যেনে **https://example.org/silpa-kutir/**। তাৰ পৰাও একেদৰে ইনষ্টল হয়।

> ৱেব এপটো কেৱল https ঠিকনাৰ পৰাহে ইনষ্টল হয়। ডিস্কৰ পৰা পোনে পোনে এপৰ ফাইল খুলিলে ই ইনষ্টল নহয়।

দ্বিতীয় পদক্ষেপ: প্ৰতিটো ডিভাইচত ইনষ্টল

Android	Chrome-ত ঠিকনাটো খোলক। ⋮ মেনুত টিপি **Install app** বা **Add to Home screen** বাছক। Samsung Internet-ত মেনুত টিপি **Add page to › Home screen** বাছক।
iPhone আৰু iPad	Safari-ত ঠিকনাটো খোলক। **Share** বুটামত টিপি **Add to Home Screen** বাছক, তাৰ পিছত **Add** টিপক।
Windows, macOS, Linux, ChromeOS	Chrome বা Edge-ত ঠিকনাটো খোলক। ঠিকনা লিখা পটিৰ সোঁমূৰৰ ইনষ্টলৰ চিহ্নত ক্লিক কৰক, নাইবা ব্ৰাউজাৰৰ মেনু খুলি **Install SILPA KUTIR** বাছক (Edge-ত **Apps › Install this site as an app**)। macOS-ৰ Safari-ত **File › Add to Dock** বাছক।

ইণ্টাৰনেট থকা অৱস্থাতে ইনষ্টল কৰা এপটো এবাৰ খোলক, যাতে ই ডিভাইচত নিজকে জমা কৰি ল'ব পাৰে। তাৰ পিছত ইণ্টাৰনেট নোহোৱাকৈ নিজৰ চিহ্নৰ পৰাই খোল খায়।



চিত্ৰ ১. ফোনত নিৰ্মাণৰ সময়সূচী।



চিত্ৰ ২. ফোনত অংকন ষ্টুডিঅ'।

৫ প্ৰথমবাৰ খোলোঁতে

১. আদৰণিৰ পৃষ্ঠাত উৎসৰ্গা দেখা যায়। **'আৰম্ভ কৰক'** টিপক।

২. ওপৰৰ পটিত **English** বা **অসমীয়া** বাছক। এপটোৱে আপোনাৰ বাছনি মনত ৰাখে।

৩. এপটো **ৰাম বিজয়** নামৰ নমুনা প্ৰযোজনাৰে খোল খায়। নিজৰ প্ৰযোজনা আৰম্ভ কৰিবলৈ ওপৰৰ পটিত প্ৰযোজনাৰ নামত টিপি **'নতুন প্ৰযোজনা'** বাছক।

৪. **ব্যৱহাৰকাৰীৰ হাতপুথি** পঢ়ক, নাইবা এপৰ ভিতৰৰ নিৰ্দেশিকাৰ বাবে কাষৰ পটিৰ **'সহায়'** খোলক।



চিত্ৰ ৩. প্ৰথমবাৰ খোলোঁতে আদৰণিৰ পৃষ্ঠা।

৬ বেকআপ, স্থানান্তৰ আৰু আপডেট

- **বেকআপ।** ওপৰৰ পটিত প্ৰযোজনাৰ নামত টিপি **'সকলো প্ৰযোজনাৰ প্ৰতিলিপি সংৰক্ষণ কৰক'** বাছক। ফাইলটো পেন ড্ৰাইভ, আন এটা কম্পিউটাৰ বা ক্লাউড ষ্ট'ৰেজত ৰাখক।
- **এটা প্ৰযোজনা।** ওপৰৰ পটিৰ **'ফাইল সংৰক্ষণ কৰক'**ই খোলা প্ৰযোজনাটো এটা `.silpakutir.json` ফাইল হিচাপে সংৰক্ষণ কৰে।
- **আন ডিভাইচলৈ নিয়া।** তাত শিল্প কুটিৰ ইনষ্টল কৰক আৰু **'ফাইল খোলক'**ৰে সংৰক্ষিত ফাইলটো আনক।
- **একক ফাইলটো আপডেট।** প্ৰথমে বেকআপ লওক। পুৰণি ফাইলটো থকা ফ'ল্ডাৰতে `SILPA-KUTIR-1.1.html` ৰাখি খোলক। আপোনাৰ প্ৰযোজনাবোৰ দেখা নাপালে **'ফাইল খোলক'**ৰে বেকআপৰ পৰা সেইবোৰ আনক।
- **ৱেব এপটো আপডেট।** পিছত ইণ্টাৰনেট থকা অৱস্থাত খুলিলে ৱেব এপটো নিজে নিজে আপডেট হয়। নিজা প্ৰতিলিপি ৰখা দলে ৱেবছাইটত পুৰণি ফাইলবোৰৰ ওপৰত নতুন ফাইলবোৰ আপল'ড কৰে। আপোনাৰ প্ৰযোজনাবোৰ প্ৰতিটো ডিভাইচতে থাকি যায়।
- **১.০ ৰ পৰা ১.১ লৈ।** ১.০ সংস্কৰণত সজা প্ৰযোজনা ১.১-ত সলনি নোহোৱাকৈ খোলে। মঞ্চসজ্জাত এতিয়া জোখ ফুট আৰু ইঞ্চিত দেখা যায়; আগৰ দৰে চাবলৈ **'জোখৰ একক'**ত **'মিটাৰ'** বাছক।

৭ কিবা কাম নকৰিলে

সমস্যা	কি কৰিব
3D দৃশ্য খালী, বা WebGL বন্ধ বুলি দেখুৱায়	ব্ৰাউজাৰৰ ছেটিঙত হাৰ্ডৱেৰ এক্সেলাৰেচন অন কৰি ব্ৰাউজাৰটো পুনৰ আৰম্ভ কৰক। কম্পিউটাৰত গ্ৰাফিক্স ড্ৰাইভাৰ আপডেট কৰক।
মোৰ কাম দেখা পোৱা নাই	একেটা ব্ৰাউজাৰ ব্যৱহাৰ কৰক, একে ঠাইৰ পৰা ফাইলটো খোলক আৰু প্ৰাইভেট উইণ্ড' ব্যৱহাৰ নকৰিব। ব্ৰাউজাৰৰ ডেটা মচা হৈছে যদি **'ফাইল খোলক'**ৰে বেকআপৰ পৰা কাম ঘূৰাই আনক।
"এই ডিভাইচত ৰাখিবলৈ বৰ ডাঙৰ"	প্ৰযোজনাটো ফাইল হিচাপে সংৰক্ষণ কৰক, তাৰ পিছত অদৰকাৰী ফটো আঁতৰাওক।
ৱেব এপটো ইনষ্টলৰ বিকল্প নাই	ঠিকনাটো https-ৰে আৰম্ভ হৈছেনে চাওক, আৰু Chrome, Edge বা Samsung Internet, নাইবা iPhone আৰু iPad-ত Safari ব্যৱহাৰ কৰক।
মঞ্চসজ্জাত হাতেৰে আঁকা নক্সা খোল নাখায়	**'হাতেৰে আঁকা নক্সা'**ৰ তলৰ বাৰ্তাটো পঢ়ক। JPG, PNG বা WebP ফটো, নাইবা স্কেন কৰা PDF ব্যৱহাৰ কৰক। iPhone-ৰ ফটো হ'লে iPhone-ত **Settings › Camera › Formats › Most Compatible** বাছক, নাইবা ফটোখন JPEG হিচাপে শ্বেয়াৰ কৰক।
ডাউনল'ড কৰা ফাইল বিচাৰি পোৱা নাই	ব্ৰাউজাৰৰ ডাউনল'ড ফ'ল্ডাৰত চাওক। iPhone আৰু iPad-ত ডাউনল'ড Files এপত যায়।
প্ৰিণ্ট কৰা অংকনৰ জোখ ভুল	পৃষ্ঠাত খাপ খুওৱাৰ বিকল্প বন্ধ ৰাখি ১০০ শতাংশ জোখত প্ৰিণ্ট কৰক, আৰু জোখ-দণ্ড বা ১০ মি.মি.-ৰ পৰীক্ষাৰ বৰ্গ জুখি চাওক।

SILPA KUTIR · শিল্প কুটিৰ

যদুমণিৰ ক্রাফ্ট ষ্টুডিঅ' · ইনষ্টলৰ নির্দেশিকা · সংস্কৰণ ১.১ · অক্টোবৰ ২০২৬



মোৰ গুৰু, মণিপুৰৰ সংগীত নাটক অকাডেমী বঁটাপ্রাপ্ত কাৰুশিল্পী নিংগোম্বম যদুমণি সিঙৰ চৰণত শ্রদ্ধাৰে উৎসর্গা কৰিলোঁ।

অসম, ভাৰতৰ AANK_A Creative Line-ৰ হৈ ড° মৃণাল জ্যোতি গোস্বামীৰ দ্বাৰা সৃষ্ট

© ২০২৬ ড° মৃণাল জ্যোতি গোস্বামী আৰু AANK_A Creative Line

১.০ সংস্কৰণ AANK-ৰ আন ডিজিটেল আহিলাসমূহৰ সৈতে ২৫ অক্টোবৰ ২০২৬ তাৰিখে গুৱাহাটীৰ শ্রীশ্রী মাধৱদেৱ আন্তর্জাতিক প্রেক্ষাগৃহত BBITF ২০২৬-ৰ উদ্বোধনী অধিৱেশনত মুকলি কৰা হৈছিল। ১.১ সংস্কৰণত অংকনৰ আহিলা আৰু ফুট-ইঞ্চিৰ জোখ যোগ কৰা হৈছে।

3D দৃশ্যৰ বাবে three.js (MIT অনুজ্ঞাপত্র) ব্যৱহাৰ কৰা হৈছে।